# 2019

## ASSAMESE

### ( Major )

Paper : 1.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) দুৰ্গাবৰ কোন যুগৰ কবি ?

(খ) 'কাআ' শব্দৰ অৰ্থ কি ?

(গ) পীতাম্বৰ কবিৰ প্ৰথম্ ৰচনা কি ?

(ঘ) 'ঘুনুচা কীৰ্ত্তন' কোনে ৰচনা কৰিছিল ?

(ঙ) শংকৰদেৱে সংস্কৃত ভাষাত ৰচনা কৰা এখন কাব্যৰ নাম লিখা।

(চ) 'সমাহিত্ম' শব্দৰ অৰ্থ লিখা।

(ছ) তোমালোকৰ পাঠ্যত সন্নিৱিষ্ট চৰ্যাপদটিৰ ৰচক কোন?

(জ) 'কাণখোৱা' কোন শ্ৰেণীৰ কবিতা?

(ঝ) বৈশ্বানৰ কোন?

(ঞ) মাধৱ কন্দলিয়ে কবি-প্ৰতিভাৰ স্বীকৃতি স্বৰূপে কি উপাধি লাভ কৰিছিল?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) "শশাৰ উপৰে তেবে লেখিলা চন্দ্ৰমা।
ত্ৰিভুৱনে যাৰ ৰূপে নাহিকে উপমা॥"

ইয়াত উল্লেখ কৰা 'শশা' শব্দৰ অৰ্থ কি? কাৰ ৰূপৰ তুলনা ত্ৰিভুৱনতো নাই বুলিছে, লিখা।

(খ) পাঁচালী সাহিত্যৰ ভাগ কেইটা, উল্লেখ কৰি লিখা।

(গ) "কালকূট বিষ উচ্চৈশ্ৰৱা হয়
লক্ষ্মীয়ো বজাইল পাছে।"

'কালকূট বিষ' আৰু 'উচ্চৈশ্ৰৱা হয়' কি?

(ঘ) শংকৰদেৱৰ বিৰচিত দুখন আখ্যানমূলক কাব্যৰ নাম লিখা।

(ঙ) চৰ্যাপদত ব্যৱহাৰ কৰা দুটি ৰাগৰ নাম উল্লেখ কৰা।

৩। প্রসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) দিঢ় কৰিঅ মহাসুহ পৰিমাণ।
লুই ভণই গুৰু পুচ্ছিঅ জাণ ॥

(খ) নটভাট প্ৰাৰ্থকৰ পুৰিলন্ত মন।
সেহিদিনা ধৰি ভৈল গোকুল সম্পন্ন ॥

(গ) পাৰিজাত মন্দাৰ চম্পক শাল তাল
আশেষ ৰমণ সুখে বঞ্চিয়োক কাল।

(ঘ) দান লও বুলি তিনিপদ ভূমি
ত্ৰৈলোক্য জুড়িয়া লৈলে।
উপায় কৰিয়া বলিক ছলিয়া
পঠাইলো পাছে পাতালে।

(ঙ) নাজানো কপট বিধি কি লেখিলে আসি ॥
কিনো কৰ্ম্ম-দোষে-ফলে ভৈলে বনবাসী।
আজি আৰো কামপৰ্ব্ব খেৰি চতুৰ্দ্দশী ॥

৪। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) ধ্ৰুপদী কাব্য বুলিলে কি বুজা? ধ্ৰুপদী কবিতাৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে এটি বিশদ টোকা প্ৰস্তুত কৰা।

*অথবা*

লুইপাদ কোন? লুইপাদানামে লিখা তোমাৰ পাঠৰ অন্তৰ্ভুক্ত চৰ্যাটিৰ সাৰাংশ সুন্দৰভাৱে বৰ্ণনা কৰা।

(খ) শ্ৰীধৰ কন্দলিৰ দ্বাৰা ৰচিত 'কাণখোৱা' নামৰ কবিতাটিত শিশুকৃষ্ণৰ মানৱীয় ৰূপ আৰু ঐশ্বৰিক ৰূপ দুইটাই প্ৰকাশ পাইছে—আলোচনা আগবঢ়োৱা।

*অথবা*

হস্তী-ঘোঁৰা স্ৰজিলেক পাত্ৰ-মন্ত্ৰীগণ
সুবৰ্ণৰ স্তম্ভ মণিময় বিচক্ষণ॥
আয়াস মন্দিৰ সুশোভন সিংহাসন
পঞ্চশব্দ বজাৱে নৰ্ত্তকী নটগণ॥

উক্ত পদকেইশাৰী কোন গ্ৰন্থৰ পৰা উদ্ধৃত? কি প্ৰসংগত উক্ত পদকেইশাৰী কবিয়ে উল্লেখ কৰিছিল? বিষয়বস্তুৰ লগত সংগতি ৰাখি এটি টোকা প্ৰস্তুত কৰা।

(গ) সাহিত্যৰ জৰিয়তে সমাজখন চাব পাৰি—এই যুক্তিত 'নন্দোৎসৱ' কবিতাটিৰ বিষয়বস্তু সামৰি সমাজখন কেনেদৰে প্ৰতিফলিত হৈছে, লিখা।

*অথবা*

পীতাম্বৰ কবিৰ 'চিত্ৰলেখাৰ পট নিৰ্মাণ' কবিতাটিত চিত্ৰলেখাই কেনেদৰে পট নিৰ্মাণ কৰিছিল আৰু শেষত উষাই কেনেদৰে সন্তুষ্টি লাভ কৰিছিল, বৰ্ণনা কৰি লিখা।

(ঘ) 'চিত্ৰকূটৰ চিত্ৰ' শীৰ্ষক কবিতাত চিত্ৰৰূপায়ণ, ভাষা, উপমা, চিত্ৰকল্প, যোজনা-পটন্তৰ আদিৰ ব্যৱহাৰত কবিৰ নৈপুণ্য কেনেদৰে প্ৰকাশ পাইছে, লিখা।

*অথবা*

মাধৱ কন্দলিয়ে কোন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল? কন্দলিৰ কাব্য-প্ৰতিভাৰ পৰিচয় দাঙি ধৰি এটি আলোচনা আগবঢ়োৱা।

★★★